**Abhigyan Sibir and Abhigyan Sabha at Assam Jatiya Bidyalay, Noonmati.**

**Guwahati, 2 April, 2018 :** Like the previous years, Abhigyan sibir and Abhigyan sabha were held at Assam Jatiya Bidyalay campus, Noonmati on 31st March and 1st April, 2018. These two occasions are organised every year in the school campus as a memorable moments for the candidates appearing in the H. S. L. C. and H. S. Final examination. The H. S. L. C. candidates are given two days and one night and H. S. final year candidates are given one day spending time at school campus for enjoying different programmes. This year on the first day programme Dr. Mythili Hazarika, Associate Professor in Clinical Psychology, Department of Psychiatry, Gauhati Medical College and Hospital, had an interaction programme with the candidates. Besides, sports and games section and cultural programme followed. On the second day programme, Dr. Sachindra Kakoti, Professor & Dean (Infrastructure, Planning & Management), IIT, Guwahati and Sanjib Kakoti, a distinguished career counselor, had an interactive session with the students. Dhiresh Narayan Choudhury, retired judge of Gauhati High Court attended the open session of Abhigyan Sibir and Abhigyan Sabha as the chief guest and in his speech he dwelt on the importance of inculcating the habit of time management and discipline at the young age and inspired to lead an honest and truthful life.  A few candidates as well as their parents  also spoke on the occasion. This concluding session was attended by the Rector Ranjit Narayan Deka, Ghanashyam Medhi, the Principal, Dr. Narayan Sharma, the secretary, Dilip Kumar Dutta Choudhury, the president of the management committee, candidates and their parents and all the teaching and non-teaching staff of the school. The open session was anchored by Aparna Devi, former Principal and a senior teacher from the department of Social Science. The co-ordinator of the Abhigyan Sibir programme was Rabindra Barman, HoD, Department of Mathematics and the co-ordinator of Abhigyan Sabha was Runima Sharma, a teacher from the department of Social Science.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়ত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভা

**গুৱাহাটী, ২ এপ্ৰিল, ২০১৮ :** বিগত বৰ্ষবোৰৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ৰ ব্যতিক্ৰমী অনুষ্ঠান 'অভিজ্ঞান শিবিৰ' আৰু 'অভিজ্ঞান সভা' যোৱা ৩১ মাৰ্চ আৰু ১ এপ্ৰিল তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উল্লেখযোগ্য যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলে বিদ্যালয়খনত পাৰ কৰা সুদীৰ্ঘ দিনৰ স্মাৰক হিচাপে দুদিন আৰু এনিশা বিদ্যালয়ত কটোৱাৰ সুযোগ প্ৰদানেৰে অভিজ্ঞান শিবিৰ আৰু এটা দিনৰ কাৰ্যসূচীৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভাৰ আয়োজন কৰা হয়। এইবাৰৰ অভিজ্ঞান শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচীত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° মৈথিলী হাজৰিকাই শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ মানসিক সমস্যা তথা সমাধান সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ইয়াৰোপৰি শিক্ষাৰ্থীসকলৰ মাজত প্ৰীতি খেল-ধেমালি আৰু মনোৰঞ্জনমূলক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। ১ এপ্ৰিল তাৰিখে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি), গুৱাহাটীৰ অধ্যাপক ড° শচীন্দ্ৰ কাকতি আৰু প্ৰবন্ধন ব্যৱস্থাপনা পৰামৰ্শদাতা সঞ্জীৱ কাকতিয়ে শিক্ষাৰ্থীসকলৰ সৈতে আলোচনাত মিলিত হৈ কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বিয়লি ৩.৩০ বজাৰ পৰা অনুষ্ঠিত অভিজ্ঞান শিবিৰ আৰু অভিজ্ঞান সভাৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ধীৰেশ নাৰায়ণ চৌধুৰী। ভাষণ প্ৰসংগত চৌধুৰীয়ে নিজৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ কথা বৰ্ণনা কৰাৰ লগতে শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱনৰ বাবে শুভকামনা জনায়। সভাত শিক্ষাৰ্থী, অভিভাৱক তথা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়েও অভিমত ব্যক্ত কৰে। অভিজ্ঞান শিবিৰৰ এই সামৰণী অনুষ্ঠানত বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, অধ্যক্ষ ঘনশ্যাম মেধি আৰু পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মায়ো শিক্ষাৰ্থীসকলৰ উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থী দিয়াক্ষী দত্তই সৰস্বতী বন্দনা আৰু অনুস্মিতা কলিতাই লোকগীত পৰিৱেশন কৰাৰ লগতে গণিত বিভাগৰ শিক্ষয়িত্ৰী তৃষ্ণা কলিতাই কবিতা আবৃত্তি কৰে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে। এই অনুষ্ঠানত ২০১৮ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থীসকলৰ উপৰি তেওঁলোকৰ পিতৃ-মাতৃ আৰু বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে অভিজ্ঞান শিবিৰ তথা অভিজ্ঞান সভাৰ সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী শিক্ষক ৰবীন্দ্ৰ বৰ্মন আৰু সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰুণিমা শৰ্মা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭